# বিশ্ব স্তনপান সপ্তাহ

(১ - ৭ আগষ্ট ২০২২)

bpni
putting child nutrition at the forefront of social change

STEP UP FOR BREASTFEEDING · EDUCATE AND SUPPORT ·

## কৰণীয় : ভাৰতত স্তনপান প্ৰোৎসাহী চিকিৎসালয়

## ( বি এফ এইচ আই – ভাৰত )

https://bfhi-india.in/

### বিশ্ব স্তনপান সপ্তাহ ২০২২ ৰ মূল লক্ষ্যসমূহ

- ভাৰতত "স্তনপান প্ৰোৎসাহী চিকিৎসালয়"ৰ গুৰুত্ব নীতি-নিৰ্দ্ধাৰক আৰু প্ৰকল্প ব্যৱস্থাপক সকলক উপলব্ধি কৰোৱা
- প্ৰসৱকালীন সুবিধা থকা সকলো চিকিৎসালয়ত স্তনপান অনুকূল অভ্যাস সমূহ প্ৰোৎসাহিত কৰা
- মাতৃসকলক চিকিৎসালয়ত থাকোতে পৰামৰ্শ দিব আৰু সহায় কৰিব পৰাকৈ চিকিৎসালয়ৰ স্বাস্থ্য আৰু পৰিপুষ্টি সেৱাত নিয়োজিত কৰ্মীসকলক সাৰ্থক স্তনপানৰ কৌশলেৰে প্ৰশিক্ষিত কৰা



# গুৰুত্ব কিয়  স্তনপান প্ৰোৎসাহী

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, ভাৰত চৰকাৰ, বিশ্ব স্বাস্থ্য সংস্থা আৰু ৰাষ্ট্ৰসংঘৰ শিশু জৰুৰী পুজি সংস্থা (ইউনিচেফ) ৰ পৰামৰ্শ ঃ (১) জন্মৰ এঘণ্টাৰ ভিতৰতে স্তনপান আৰম্ভ কৰোৱা (২) ছমাহ বয়সলৈ অইন একো আহাৰ নিদিয়াকৈ কেৱল মাত্ৰ স্তনপান কৰোৱা আৰু (৩) ছমাহ পুৰ হোৱাৰ লগে লগে উপযুক্ত পৰিপুৰক আহাৰ খুওৱাৰ লগতে অন্ততঃ দুবছৰ বা ততোধিক বয়সলৈ শিশুক স্তনপান কৰোৱা।
এনেদৰে শিশুক লালন-পালন কৰিলে অপুষ্টি, অধিক ওজন আৰু মেদবহুলতা তথা খাদ্যবিধি আওহেলা কৰাৰ বিনিময়ত হোৱা বহুমুত্ৰকে ধৰি অন্যান্য অসংক্ৰামক ৰোগ, হৃদ তথা ৰক্ত সঞ্চালন তন্ত্ৰৰ ৰোগ আৰু কৰ্কট ৰোগ কিছুমানৰ  প্ৰাদুৰ্ভাৱ কমাব পৰা যায়।

এক আন্তৰ্জাতিক অধ্যয়নৰ মতে (i) পৰ্য্যাপ্ত স্তনপান নকৰোৱাৰ ফলত ভাৰতবৰ্ষত একলাখ নমৰিবলগীয়া শিশু পেটৰ অসুখ আৰু নিউমোনিয়াৰ নিচিনা ৰোগত মৰে; তিনি কোটি সাতচল্লিশ লাখ শিশু ডায়েৰিয়াৰ, চৌবিশ লাখ সত্তৰ হেজাৰ শিশু নিউমোনিয়াৰ তথা চল্লিশ হেজাৰ শিশু  মেদবহুলতাৰ চিকাৰ হয়। কেবল স্তনপান নকৰোৱাৰ বাবে সাত হেজাৰৰ অধিক মহিলা স্তনৰ কৰ্কট ৰোগত, সোতৰ শ গৰ্ভাশয়ৰ কৰ্কট আৰু সাতাশী হেজাৰ বহুমুত্ৰ ৰোগত আক্ৰান্ত হয়। চিকিৎসাৰ কাৰণে এওলোকে বছৰি মাৰ্কিন ডলাৰৰ হিচাবত দহ  কোটি ষাঠি লাখৰো অধিক খৰচ কৰিব লগা হয়।

মাতৃদুগ্ধৰ কৈ সাং কৰিব নোৱাৰা উপকাৰ সত্ত্বেও ভাৰতত স্তনপানৰ হাৰ কম। বিশ্ব স্বাস্থ্য সংস্থাৰ মত অনুযায়ী প্ৰসূতি চিকিৎসলয়বোৰত স্তনপানৰ 'দহটি ঢাপ' সঠিক ৰূপায়ণৰ জৰিয়তে স্তনপানৰ মাত্ৰা বহু পৰিমাণে বৃদ্ধি কৰাৰ অজস্ৰ নজিৰ আছে। ২০১৬ চনতে প্ৰকাশিত ৫৮ টি অধ্যয়নৰ সমীক্ষাই (ii) স্পষ্টকৈ দেখুৱাইছে যে স্তনপানৰ 'দহটি ঢাপ'এ জন্মৰ পিচতে স্তনপান কৰোৱা, ছয়মাহ পুৰ হোৱালৈ কেৱল মাত্ৰ স্তনপান আৰু অন্ততঃ

## অপৰ্য্যাপ্ত স্তনপানৰ ফল :    ভাৰতবৰ্ষ (বাৰ্ষিক)

প্ৰতিৰোধ্য মৃত্যু (শিশু)
১,০০,০০০

ডায়েৰিয়া
৩৪,৭৯১,৫২৪

নিউমোনিয়া
২,৪৭০,৪২৯



স্তনৰ কৰ্কট ৰোগ
৭,৯৭৬

গৰ্ভাশয়ৰ কৰ্কট ৰোগ
১,৭৪৮

বহুমূত্ৰ ৰোগ

চিকিৎসা খৰছ ১০৬°০৫ মিলিয়ন মাৰ্কিন ডলাৰ

Source: https://www.aliveandthrive.org/en/country-stat/india


[i] Dylan D Walters, Linh T H Phan, Roger Mathisen, The cost of not breastfeeding: global results from a new tool, Health Policy and Planning, Volume 34, Issue 6, July 2019, Pages 407–417, https://doi.org/10.1093/heapol/czz050
[ii] Rafael Pérez-Escamilla,Josefa L. Martinez,Sofia Segura-Pérez;Impact of the Baby-friendly Hospital Initiative on breastfeeding and child health outcomes: a systematic review;First published: 29 February 2016; https://doi.org/10.1111/mcn.12294

# ঘাটি, প্ৰত্যাহ্বান, বাধা

পঞ্চম ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (iii) ২০২১ চনৰ পৰিসংখ্যা অনুযায়ী ভাৰতৰ ৮৮°৬% তথা অসমৰ ৮৬°১% গৰ্ভৱতী মহিলাই চিকিৎসালয়ত সন্তান জন্ম দিয়ে, কিন্তু মাথো ভাৰতত ৪১°৬% আৰু অসমত কেৱল ৪৯°১% নৱজাতকখে জন্মৰ এঘণ্টাৰ ভিতৰত স্তনপান কৰিবলৈ পায়। যদিও ১৯৯২-৯৩ ৰ পৰা ২০১৫-১৬ লৈ এই পৰিসংখ্যা ৯°৫% বৃদ্ধি হৈছে, কিন্তু ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত হ্ৰাস হৈছে। একেদৰে সৰ্ব্ব ভাৰতীয় পৰ্য্যায়ত চতুৰ্থ আৰু পঞ্চম ৰাষ্টীয় পৰিয়াল স্বাস্থ্য জৰীপৰ মাজৰ সময়ছোৱাত একেই থাকিল। অসমতটো ১৫% হ্ৰাসহে হ'ল। এয়া নিশ্চয়কৈ চিন্তাৰ বিষয়। ইয়ে স্তনপানৰ ক্ষেত্ৰত স্বাস্থ্য সেৱা ব্যৱস্থাই সক্ৰিয় সহায় নকৰাকেই উনুকিয়ায়।

পোনপটীয়া সহায়েৰে যিবিলাক বাধা আছে সেয়া আতৰাই, স্বাভাৱিক ভাৱেই হওক অথবা অস্ত্ৰোপচাৰৰ দ্বাৰা জন্ম হোৱাই হওক, সকলো নৱজাতকৰ মাতৃলৈ সহায় আগ বঢ়াই জন্মৰ এঘণ্টাৰ ভিতৰতে মাতৃদুগ্ধ আমি খুৱাব পাৰো।

বিশ্ব বেঙ্কৰ ২০১৯ ৰ অধ্যয়ন "শিশু বান্ধৱ চিকিৎসালয় প্ৰচেষ্টা দক্ষিণ এচিয়া ঃ ভাৰত, নেপাল আৰু বাংলাদেশত সাৰ্থক স্তনপানৰ দহটি পদক্ষেপৰ প্ৰবৰ্ত্তন, প্ৰত্যাহ্বান আৰু সুযোগ" (iv) ত প্ৰতিভাত হৈছে যে শিশু বান্ধৱ চিকিৎসালয়ৰ ধাৰণাই প্ৰাৱলম্বীয়া গুৰুত্ব বা মনোযোগ পোৱা নাই।




## এই অধ্যয়নত উল্লিখিত কিছু প্ৰত্যাহ্বান

১) প্ৰভাৱী শিশু বান্ধৱ চিকিৎসালয় ব্যৱস্থাপনা আৰু আৰ্থিক দায়িত্বৰ পৰা মূৰ পোলোকা মৰা
২) অপৰ্য্যাপ্ত কৰ্ম্মচাৰী
৩) চিকিৎসালয়ত ভীৰ
৪) নিয়মিত নিৰীক্ষণ আৰু সংবৰ্ধনৰ অভাৱ
৫) ব্যক্তিগত চিকিৎসালয়সমূহক সৈমান কৰাব নোৱাৰাটো
৬) স্তনদুগ্ধৰ বিকল্প বিপণনৰ আন্তৰ্জাতিক ব্যৱস্থা প্ৰভাৱী ৰূপত ৰূপায়নৰ দুৰ্বলতা
৭) প্ৰয়োজনীয় কাৰিকৰী সহায় নথকা আৰু সক্ৰিয় পৰিচালকৰ অভাৱ

## বাধাসমূহ

প্ৰসূতি চিকিৎসালয়ত বিশেষকৈ ব্যক্তিগত চিকিৎসালয় সমূহত কেচুৱাক, বিশেষকৈ অস্ত্ৰোপচাৰৰ দ্বাৰা জন্মোৱা নৱজাতকক, মাকৰ পৰা নিলগাই ৰখা; প্ৰশিক্ষণ নিদিয়া ধাত্ৰীৰ দ্বাৰা তত্ত্বাৱধান; চিকিৎসালয়ত বিকল্প গাখীৰ প্ৰস্তুতকৰ্ত্তাৰ প্ৰলোভনত অপ্ৰয়োজনীয়ভাৱে মাতৃদুগ্ধৰ বিকল্প গাখীৰৰ ব্যৱহাৰৰ উদগনি; গৰ্ভাৱস্থা আৰু প্ৰসূতিকালীন সময়ত সঠিক পৰামৰ্শ আৰু সহায় নকৰা আদি বোৰ শিশু বান্ধৱ চিকিৎসালয় ধাৰণাৰ প্ৰবৰ্ত্তনৰ কিছু অতিৰিক্ত বাধা। যোৱা পাচ বছৰত ভাৰতত অস্ত্ৰোপচাৰৰ দ্বাৰা সন্তান জন্ম দিয়াৰ প্ৰৱণতা বাঢ়িছে - ব্যক্তিগত খণ্ডত ৪৭°৪% আৰু চৰকাৰী খণ্ডত ১৪°৩%। ইয়াৰ ফলত সাৰ্থক স্তনপান বাধাপ্ৰাপ্ত হৈছে কাৰণ মাতৃসকলে পাব লগা ব্যৱহাৰিক সহায় খিনি নাপায়।

ভাৰত চৰকাৰৰ "মা" আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ 'দহটি পদক্ষেপ'ৰ পুনৰীক্ষিত নিৰ্দেশনা উভয়তে আই এম এচ,১৯৯২ আৰু সংশোধনী ২০০৩ বলবৎ কৰাত জোৰ দিয়া, স্তনপান আৰু শিশু খাদ্য সম্বন্ধীয় লিখিত নীতি, তথ্য সংৰক্ষণ, উপযুক্তভাৱে প্ৰশিক্ষিত কৰ্ম্মী, গৰ্ভাৱস্থাতে জন্মৰ পিচতেই বুকুৰ গাখীৰ খুওৱাৰ পৰামৰ্শ দান, জন্মৰ পিচৰে পৰা মাকৰ লগত ৰখা আৰু স্তনপানৰ বাহিৰে কোনো খাদ্য নিদিয়া, চিকিৎসকৰ পৰামৰ্শ বিনে কোনো ঔষধকে ধৰি অইন একো নুখুওৱা আদি কেচুৱা উপযোগী নিয়ম সমুহ প্ৰচলনৰ কথাবোৰ লিপিবদ্ধ আছে।

তথাপিতো কিন্তু "মা" কাৰ্যসূচী ব্যক্তিগত খণ্ডৰ চিকিৎসালয় লৈকে পোৱা নাই।

[iii] http://rchiips.org/nfhs/NFHS-5_FCTS/India.pdf
[iv] https://documents1.worldbank.org/curated/en/916891573111241173/pdf/South-Asia-Baby-Friendly-Hospital-Initiative-in-South-Asia-Implementing-Ten-Steps-to-Successful-Breastfeeding-India-Nepal-and-Bangladesh-Challenges-and-Opportunities.pdf

# নতুন আশা - বি এফ এইচ আই


স্তনপান কৰাবলৈ মাতৃসকলক সহায় কৰিবলৈ আৰু চিকিৎসালয়ত স্তনপান দানৰ অনুশীলন কৰাবলৈ কিছু সংখ্যক স্তনপান প্ৰোৎসাহী চিকিৎসালয় থাকিবই লাগিব।ব্ৰেষ্টফিডিং প্ৰমোচন নেটৱৰ্ক অফ ইণ্ডিয়াই হেলথকেয়াৰ প্ৰভাইদাৰচ অফ ইণ্ডিয়াৰ লগত সহযোগী হৈ স্তনপান প্ৰোৎসাহী চিকিৎসালয়সমূহক মান্যতা দিয়াৰ কাম আৰম্ভ কৰিছে। এই কাৰ্য্যসূচীত পোন্ধৰটি অইন সংস্থাইও সহায় কৰিছে। ইয়াৰ কেন্দ্ৰবিন্দুত ৰৈছে ব্যক্তিগত খণ্ডৰ চিকিৎসালয় সমূহত জন্মৰ এঘণ্টাৰ ভিতৰতেই স্তনপান কৰোৱা আৰু মাতৃৰ গাৰ উমেৰে কেচুৱাটিক গৰমাই ৰখাৰ ব্যৱস্থাৰ উন্নীতকৰণ।



Dr Gridhar Gyani, DG, AHPI and Dr Arun Gupta of BPNI signing the MOU

এই কাৰ্য্যসূচীৰ সমন্বয়ক বি ইপ এন আই আৰু এই কাৰ্য্য ২০১৯ চনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্তৰ অধীনৰ উচ্চ স্তৰীয় সমিতিৰ তত্ত্বাৱধানত বিশ্ব স্বাস্থ্য সংস্থা আৰু মন্ত্ৰালয়ে উদ্ভাৱন কৰা যতনেৰে কৰা হয়।

এক ৰাষ্ট্ৰীয় মান্যতা প্ৰদান কেন্দ্ৰ স্থাপন কৰি প্ৰসৱৰ সুবিধা থকা স্বাস্থ্য অনুষ্ঠানবোৰক বহনক্ষম খৰছৰ বিনিময়ত স্তনপান প্ৰোৎসাহী চিকিৎসালয় হিচাবে মান্যতা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই কেন্দ্ৰটো বি পি এন আইৰ কাৰ্য্যালয়ত প্ৰতিষ্ঠা কৰা হৈছে আৰু প্ৰয়োজনীয় উপদেশ তথা সেৱাখিনি সমগ্ৰ ভাৰতৰ ইচ্ছুক প্ৰসৱৰ সুবিধা থকা চিকিৎসালয়বোৰক প্ৰদান কৰা হয়। মান্যতা প্ৰাপ্তিৰ বাবে চিকিৎসালয়খনৰ এক নিজা আৰু বাহিৰৰ এক স্বতন্ত্ৰ গোটৰ দ্বাৰা পৃথকে পৃথকে মুল্যায়ন কৰা হয়। এবাৰ পোৱা মান্যতা তিনি বছৰলৈ প্ৰযোজ্য। ২০২১ চনত আৰম্ভ কৰাৰ পিচত দুখন প্ৰসূতি চিকিৎসালয়ক মান্যতা প্ৰদান কৰা হৈছে আৰু বিশ খন চিকিৎসালয় মুল্যায়নৰ বিভিন্ন পৰ্য্যায়ত আছে। এই প্ৰক্ৰিয়া ক্ৰমাগতভাৱে আগ বাঢ়িছে। মান্যতা প্ৰাপ্তিৰ বাবে আগ বাঢ়ি আহিবলৈ বি পি এন আই আৰু এ এইচ পি আই যে চিকিৎসালয় সমূহক আহ্বান কৰে।



# সাৰ্থক স্তনপান : বিশ্ব স্বাস্থ্য সংস্থাৰ 'দহটি ঢাপ'

**ব্যৱস্থাপনাৰ ঢাপ :**

১) (ক) স্তনদুগ্ধৰ বিকল্প সামগ্ৰী বিক্ৰীৰ আন্তৰ্জাতিক নীতি আৰু বিশ্ব স্বাস্থ্য সন্মিলনৰ আনুষঙ্গিক প্ৰস্তাৱসমূহ সম্পূৰ্ণকৈ মানি চলা
১)(খ) নিয়মীয়াকৈ কৰ্ম্মচাৰী আৰু পিতৃ-মাতৃৰ মাজত বিতৰণ কৰি থকা এক লিখিত শিশু খাদ্য চনদ ৰখা
১)(গ) অহৰহ নিৰীক্ষণ আৰু তথ্য আহৰণ,সংৰক্ষণ আৰু বিশ্লেষণৰ ব্যৱস্থা কৰা
২) স্তনপানত সমৰ্থন কৰিবলৈ কৰ্ম্মচাৰীবৃন্দৰ উপযুক্ত জ্ঞান, পটুতা আৰু পাৰদৰ্শিতা থকাতো নিশ্চিত কৰা

**ব্যৱহাৰিক অভ্যাসসমূহ :**

৩) গৰ্ভৱতী আৰু পৰিয়ালৰ লোকৰ লগত স্তনপানৰ গুৰুত্ব আৰু পৰিচালনা সম্পৰ্কে আলোচনা কৰা
৪)জন্মৰ পিচতে যিমান সোনকালে পাৰি নবজাতকক মাতৃৰ দেহত লগাই স্তনপান আৰম্ভ কৰিবলৈ সহায় কৰা
৫) কেচুৱাক জন্মৰ পিচতে স্তনপান আৰম্ভ আৰু সকলো সময়তে কৰোৱা তথা স্তনপানৰ সাধাৰণ অসুবিধাবোৰ সমাধান কৰা
৬) চিকিৎসাৰ বাবে প্ৰয়োজন নহলে স্তনপান কৰাই থকা নবজাতকক অইন কোনো খাদ্য বা পানীয় নিদিয়া
৭) মাক আৰু কেচুৱাক দিনটোৰ চৌবিশ ঘণ্টাই একেলগে থকাৰ সুবিধা কৰি দিয়া
৮) মাকক তেওঁৰ কেচুৱাটিয়ে স্তনপান কৰিবলৈ দেখুওৱা দেহ ভঙ্গীমা আৰু লক্ষণ বোৰ চিনাকি কৰাই স্তনপানত সহাৰি দিবলৈ সহায় কৰা
৯) গাখীৰ খুৱাবলৈ ব্যৱহাৰ কৰা বটল, মুখ আৰু মুখত লব দিয়া নিচুকোৱা সামগ্ৰী বোৰৰ ব্যৱহাৰৰ বিপদৰ বিষয়ে বুজাই দিয়া
১০) চিকিৎসালয়ৰ পৰা যাবলৈ দিয়া সময়ছোৱাত






# কৰিবলগীয়া কেইটামান

- ৰাজ্যত চিকিৎসালয়ত জন্মা নবজাতকৰ হাৰ আৰু জন্মৰ পিচতে পাব লগা স্তনপানৰ হাৰৰ ব্যৱধানৰ প্ৰতি জনসংযোগ মাধ্যমক সচেতন কৰোৱা। সংশ্লিষ্ট লিঙ্ক https://www.bpni.org/world-breastfeedingweek-2022/
- আপোনাৰ অঞ্চলৰ এখনি প্ৰসূতি চিকিৎসালয় চিনাক্ত কৰি স্তনপান প্ৰোৎসাহী ধাৰণাৰ বিষয়ে অৱগত কৰাওক। প্ৰয়োজনীয় সমল পাব https://bfhiindia.in/home.php
- স্থানীয় চিকিৎসালয় বোৰক "স্তনপান প্ৰোৎসাহী চিকিৎসালয়"ৰ মান্যতাৰ প্ৰতি সজাগ কৰিবলৈ মিটিং, চেমিনাৰ বা ওৱেবিনাৰ কৰক। সহায়ৰ বাবে বি পি এন আইৰ লগত যোগাযোগ কৰক।
  জিলা উপায়ুক্ত আৰু স্বাস্থ্য বিষয়াক লগ কৰি সকলো চিকিৎসালয়কে স্তনপান প্ৰোৎসাহী মান্যতাৰ বাবে আগ্ৰহী কৰিবলৈ অনুৰোধ জনাওক
- ৰাজ্য চৰকাৰ, সাংসদ, বিধায়ক, ৰাজনৈতিক দললৈ "স্তনপান প্ৰোৎসাহী চিকিৎসালয় ভাৰত"ৰ প্ৰতি সহাৰি দিবলৈ চিঠি লিখক








Breastfeeding Promotion Network of India (BPNI)

Address: BP-33, Pitampura, Delhi 110 034. Tel: +91-11- 42683059

bpni@bpni.org http://www.bpni.org

@bpniindia @bpni.org

https://www.youtube.com/user/bpniindia

idecide4me

**ABOUT BPNI**

The Breastfeeding Promotion Network of India (BPNI) is a 30 years old registered, independent, non-profit, national organisation that works towards protecting, promoting and supporting breastfeeding and appropriate complementary feeding of infants and young children. BPNI works through policy analysis, advocacy, social mobilization, information sharing, education, research, training and monitoring the company compliance with the IMS Act. BPNI serves as the global secretariat for World Breastfeeding Trends Initiative (WBTi) programme, that analyses policy & programmes and galvanises action at country level in different regions of the world. BPNI is part of the International Baby Food Action Network (IBFAN)

**BPNI's ETHICAL POLICY**

BPNI does not accept funds or any support from the companies manufacturing baby foods, feeding bottles or infant feeding related equipments. BPNI does not associate with organizations having conflicts of Interest. BPNI request everyone to follow this ethical stance while celebrating World Breastfeeding Week.

Written and edited by: Nupur Bidla
Reviewed by : Dr. Arun Gupta
Designed by : Amit Dahiya

বিপিএনআই সম্পৰ্কে
বিপিএনআই এক ৩০ বছৰীয়া স্বতন্ত্ৰ, লাভ নিবিচৰা পঞ্জীকৃত ৰাষ্ট্ৰীয় সংস্থা যিয়ে কেচুৱা আৰু শিশুৰ স্তনপান আৰু সঠিক পৰিপূৰক আহাৰৰ সুৰক্ষা, প্ৰচলন আৰু সহায়কাৰী ৰূপে কাম কৰে। নীতি-বিশ্লেষণ, ওকালতি, সামাজিক গ্ৰহণযোগ্যতা বৃদ্ধি, তথ্য আদান প্ৰদান, শিক্ষা, গবেষণা, প্ৰশিক্ষণ আৰু নিকায় সমূহে আইএমএচ আইন মানি চলিছেনে লক্ষ্য কৰি বিপিএনআইয়ে কাম কৰি আহিছে। বিপিএনআই ইণ্টাৰনেচনেল বেবী ফুড একচন নেটওৱৰ্ক [International Baby Food Action Network (IBFAN)] ৰ অংশ। বিপিএনআই যে ওৱৰ্ল্ড ব্ৰেষ্টফিডিং ট্ৰেণ্ডস ইনিচিয়েটিভৰ [World Breastfeeding Trends Initiative (WBTi)] আচনিৰ গোলোকীয় সচিব কাৰ্যালয় হিচাবেও কাম কৰে।

বিপিএনআইৰ নীতি
বিপিএনআই য়ে শিশু খাদ্য, গাখীৰ খুওৱা বটল আৰু কেচুৱাক খুৱাবলৈ সজুলি প্ৰস্তুত কৰা কোম্পানীসমুহৰ পৰা কোনো পুঁজি বা অইন সাহাৰ্য্য গ্ৰহণ নকৰে। বিপিএনআইৰ ঘোষিত নীতিৰ পৰিপন্থী কাম কৰা সংস্থা
লগত কেতিয়াও সহযোগ নকৰে।
ৰচনা আৰু সম্পাদনা : নুপুৰ বিদলা।
পুণৰীক্ষণ : ডাঃ অৰুণ গুপ্তা। আৰ্হি প্ৰস্তুত : অমিত ডাহিয়া।

AMRITTMAN is a Social and Community fb page opened during 2020.
Association for Promotion of Child Nutrition (APCN) is a non-profit organization established in the state of Assam in 2011, with the objective of improving status of child nutrition in the state, thereby reducing Infant & Under Five mortality, morbidity associated with nutritional conditions and improving the quality of child health. APCN continues to work for protection , promotion and support of breastfeeding & complementary feeding through education/orientation/ awareness programs for health professionals/ media persons/ opinion leaders/ community and health personnel on nutrition and health. Amrittman fb Page and APCN do not accept fund or other support from companies producing baby food, Infant Feeding bottle or infant feeding related equipments and do not associate with organizations having 'Conflict of Interest'.

Local address for contact :
House no. 2 near Hindustani Kendriya Vidyalaya, Dinesh Ojha Road, Bhangagarh, Guwahati – 781005.

'অমৃতমান' ফেচবুক পেজ ২০২০ ত মুকলি কৰা এক সামাজিক পেজ|
২০১১ চনত আৰম্ভ কৰা আৰু ২০১৩-১৪ পঞ্জীকৃত 'এচোচিয়েচন ফৰ প্ৰমোচন অব চাইল্ড নিউট্ৰিচন' (এপিচিএন), অসম এটি লাভ নিবিচৰা সংগঠন। এপিচিএন, অসম ৰাজ্যখনত শিশুৰ সুস্বাস্থ্য আৰু গুণগত বিকাশৰ আৰু পৰিপুষ্টিৰ লগত সম্বন্ধ থকা কেচুৱা তথা পাচ বছৰৰ তলৰ শিশুৰ ৰোগ আৰু মৃত্যু হ্ৰাস কৰাত অৰিহণা যোগোৱাৰ লক্ষ্যৰে প্ৰতিস্থিত। স্বাস্থ্য কৰ্মী, জনসাধাৰণ, স্থানীয় নেতা তথা প্ৰচাৰ মাধ্যমৰ মাজত স্তনপান আৰু পৰিপূৰক খাদ্যৰ প্ৰসাৰ, সহায় আৰু সুৰক্ষাৰ কাৰণে শিক্ষা সমল, প্ৰশিক্ষণ, সজাগতা অভিযান চলাই আহিছে। এ পি চি এন এ কেচুৱাৰ খাদ্য, কেচুৱাক গাখীৰ খুওৱা বটল তথা অন্য আহিলা প্ৰস্তুত কৰা কোনো কোম্পানীৰ পৰা পুঁজি অথবা অন্য সাহায্য গ্ৰহণ নক্ৰে আৰু আমাৰ 'উদ্দেশ্যৰ লগত সংঘাত' হোৱা কোনো অনুষ্ঠানৰ লগত সম্পৰ্ক নাৰাখে।

যোগাযোগৰ ঠিকনা :
গৃহ ২, হিন্দুস্তানী কেন্দ্ৰীয় বিদ্যালয়ৰ সমীপত,
দীনেশ ওঝা পথ, ভঙাগড়, গুৱাহাটী-৭৮১০০৫|

Assamese transliteration : **Dr Bishnu Prosad Adhikary** (Contact no. 9435048442, bpadhikary12@gmail.com
on behalf of fb page AMRITTMAN (a Social and Community fb page) & Association for Promotion of Child Nutrition (APCN), Assam.
অসমীয়া ভাৱানুবাদ : **ডাঃ বিষ্ণু প্ৰসাদ আধিকাৰী|** "অমৃতমান" ফেচবুক পৃষ্ঠা তথা এচোচিয়েচন ফৰ প্ৰমোচন অব চাইল্ড নিউট্ৰিচন (এপিচিএন), অসম